**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-11-2024 **Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-----------------------

১। কেন্দ্রীয় চৰকাৰে মণিপুৰত নিৰাপত্তা বাহিনী মোতায়ন কৰাৰ পাছত ৰাজ্যখনৰ পৰিস্থিতি সম্প্ৰতি নিয়ন্ত্ৰণত।

২। ৰাজ্যিক জি এছ্ টি আইন সংশোধনী, কৰিমগঞ্জ জিলাক শ্ৰীভূমি জিলা হিচাপে নতুনকৈ নামকৰণকে ধৰি অসম মন্ত্ৰীসভাৰ বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত ।

৩। ৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱ আজি গোৱাৰ পানাজীত আৰম্ভ। আই চি এছ্ পি ইউনেস্কো শাখাত অসমীয়া ছবি জুইফুল।

৪। মহাৰাষ্ট্ৰৰ একক পৰ্যায়ৰ বিধানসভা নিৰ্বাচন আৰু ঝাৰখণ্ড বিধানসভাৰ নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ আৰম্ভ।

**আৰু**

৫। বিহাৰৰ ৰাজগীৰত অনুষ্ঠিত মহিলাৰ এছিয়ান চেম্পিয়নছ্ ট্ৰফী হকী প্ৰতিযোগিতাৰ ফাইনেলত আজি ভাৰত-চীনৰ মুখামুখী।

0000000

কেন্দ্রীয় চৰকাৰে মণিপুৰত নিৰাপত্তা বাহিনী মোতায়ন কৰাৰ পাছত ৰাজ্যখনৰ পৰিস্থিতি সম্প্ৰতি নিয়ন্ত্ৰণলৈ আহিছে। আজি ৰাজ্যখনৰ পশ্চিম ইম্ফল, পূব ইম্ফল, বিষ্ণুপুৰ আৰু কাকচিং জিলাত পুৱা ৫ বজাৰ পৰা ১০ বজালৈ সান্ধ্য আইন শিথিল কৰা হৈছে। অৱশ্যে, এই সময়ছোৱাত ৰাজহুৱা স্থানত সমাৱেশ, ধৰ্ণা, সমদল আদি অনুমতি দিয়া হোৱা নাই। বিদ্যালয়সমূহ পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত বন্ধ হৈ থাকিব বুলিও প্ৰশাসনে অৱগত কৰিছে। ইফালে, মণিপুৰৰ হিংসাত্মক পৰিস্থিতিৰ প্ৰভাৱ অসমতো পৰাৰ আশংকাত কাছাৰ জিলাৰ আৰক্ষীয়ে অসম-মণিপুৰৰ সীমান্ত সম্পূৰ্ণৰূপে চীল কৰি দিছে। কাছাৰ জিলা আৰক্ষীয়ে জনোৱা মতে মণিপুৰৰ পৰা দুস্কৃতিকাৰী ৰাজ্যখনত প্ৰৱেশ কৰিব পাৰে বুলি চোৰাংচোৱাৰ পৰা তথ্য লাভ কৰাৰ পাছতে এই সিদ্ধান্ত লোৱা হয়। সীমান্তত সশস্ত্ৰ আৰক্ষীৰ লগতে কামাণ্ডো বেটেলিয়ন মোতায়ন কৰা হৈছে। দুয়োখন ৰাজ্যৰ সীমান্তত ২৪ ঘণ্টাই পহৰাৰ ব্যৱস্থা কৰা হৈছে বুলি আৰক্ষীয়ে জানিবলৈ দিছে। ইফালে, জিলাখনৰ নাগৰিক সমিতি সমূহকো সতৰ্ক কৰি দিয়া হৈছে।

0000000

দিছপুৰত কালি অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ বৈঠকত ৰাজ্যিক জি এছ্ টি আইন সংশোধনী, কৰিমগঞ্জ জিলাক শ্ৰীভূমি জিলা হিচাপে নতুনকৈ নামকৰণকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হয়। দিছপুৰত অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি এই কথা ঘোষণা কৰে। তেওঁ কয়, যে মন্ত্ৰীসভাই ৰাজহ বৃদ্ধি, কৰদাতাসকলক সুবিধা প্ৰদান আৰু ব্যৱসায়ৰ ক্ষেত্ৰত সুচলতাৰ বাবে অসম সামগ্ৰী আৰু সেৱা কৰ অৰ্থাৎ জি এছ্ টি সংশোধনী অধ্যাদেশ, ২০২৪-ত অনুমোদন জনাইছে। এই অধ্যাদেশে জি এছ্ টি আইন, ২০১৭-ত অন্তৰ্ভুক্ত পৰিৱৰ্তনৰ সৈতে সমতা ৰাখিবলৈ আইনখনত প্ৰয়োজনীয় পৰিৱৰ্তনৰ

অন্তৰ্ভুক্তি আৰু সংশোধনৰ বাবে অনুমোদন জনাব। তদুপৰি বৰ্তমানৰ কৰিমগঞ্জ জিলাৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্যক ন্যায়সংগত ৰূপত প্ৰকাশ কৰাৰ বাবে মন্ত্ৰীসভাই জিলাখনক শ্ৰীভূমি হিচাপে নামকৰণ কৰিবলৈ অনুমোদন জনায়।

-বাইট চি এম-

কৰিমগঞ্জ জিলাৰ নাম শ্ৰীভূমি হোৱাৰ পাছত জিলাখনৰ বিভিন্ন স্থানত জনসাধাৰণৰ মাজত উৎসাহ পৰিলক্ষিত হয়। জিলা যুৱ মৰ্চাই মুখ্যমন্ত্ৰীৰ লগতে ৰাজ্য চৰকাৰক এই সিদ্ধান্তৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকে ৰাজ্যত অহা বছৰৰ ফেব্ৰুৱাৰীত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰাৰো সিদ্ধান্ত লৈছে। বৰ্তমান ৰাজ্যখনত পঞ্চায়ত নিৰ্বাচনৰ খচৰা ভোটাৰ তালিকা প্ৰস্তুতিৰ কাম চলি আছে আৰু ৩০ ডিচেম্বৰৰ ভিতৰত ভোটাৰ তালিকা প্ৰকাশ পালে ফেব্ৰুৱাৰীৰ প্ৰথম সপ্তাহৰ ভিতৰত নিৰ্বাচন অনুষ্ঠিত হ'ব। নিৰ্বাচন দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব। সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়া ১০ ফেব্ৰুৱাৰীৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ৰাজ্যখনলৈ দেশ-বিদেশৰ পৰা অধিক পুঁজি বিনিয়োগক আকৰ্ষিত কৰা আৰু আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে অহা ২৪ ফেব্ৰুৱাৰীত অসম বিনিয়োগ আৰু আন্তঃগাঁথনি মেলাৰ আয়োজন কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক এই বিনিয়োগ মেলালৈ আমন্ত্ৰণ জনোৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। ৰাজ্যৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্পত স্থান সম্পৰ্কীয় তথ্য কাৰ্যকৰীভাৱে ব্যৱহাৰ কৰিবলৈ মন্ত্ৰীসভাই ৰাজ্যখনত ৰিম'ট চেনচিং, জি আই এছ, জি পি এছ, ড্ৰোণ আদি জৰীপ সম্পৰ্কীয় কাম আৰু সেৱাৰ বাবে অসম ৰাজ্যিক মহাকাশ প্ৰয়োগ কেন্দ্ৰক ৰাজ্যিক সমন্বয় সংস্থা হিচাপে মনোনীত কৰিবলৈও অনুমোদন জনাইছে। এই বৈঠকত বনাঞ্চল বৃদ্ধি কৰাৰ বাবে ৰাজ্য চৰকাৰৰ পৰিকল্পনাক কাৰ্য ৰূপায়িত কৰিবলৈ অসম কৃষি বনানিকৰণ নীতি-২০২৪ত অনুমোদন জনোৱা হয়। একেদৰে গ্ৰাম্য উন্নয়ন ত্বৰান্বিত কৰিবলৈ মন্ত্ৰীসভাই ভূমি সংৰক্ষণ আৰু কৃষি খণ্ডত ৯৪ টা প্ৰকল্প ৰূপায়ণত অনুমোদন জনাইছে।

0000000

৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱ আজি গোৱাৰ পানাজীত আৰম্ভ হ'ব। আজি বিয়লি পানাজী শ্যামাপ্ৰসাদ মুখাৰ্জী ষ্টেডিয়ামত জাকজমকতাপূৰ্ণ অনুষ্ঠানৰ মাজেৰে এই মহোৎসৱৰ শুভাৰম্ভ কৰা হ'ব। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, ৰাষ্ট্ৰীয় চলচ্চিত্ৰ উন্নয়ন নিগম-এন এফ ডি চি আৰু গোৱা চৰকাৰৰ অধীনস্থ গোৱা বিনোদন চ'ছাইটিৰ উদ্যোগত আয়োজিত এই চলচ্চিত্ৰ মহোৎসৱৰ মূল শাখাত এইবাৰ মুঠ ২৭০খন ছবি প্ৰদৰ্শিত হ'ব। বিভিন্ন শিতানত এইবাৰ প্ৰায় ৪০০ ছবি প্ৰদৰ্শিত হ'ব। ইয়াৰ ভিতৰত বিশ্বৰ ৮১খন দেশক প্ৰতিনিধিত্ব কৰা ১৮০খন বিদেশী ছবি আছে। এইবাৰৰ মহোৎসৱত অষ্ট্ৰেলিয়াক মূল দেশৰূপে স্বীকৃতি দিয়া হৈছে আৰু অষ্ট্ৰেলিয়াৰ ছবি নিৰ্মাতা মাৰ্কেল গ্ৰেচিৰ ছবি দ্যা বেটাৰমেনৰ প্ৰদৰ্শনৰে এইবাৰৰ মহোৎসৱৰ শুভাৰম্ভ কৰা হ'ব। এইবাৰ অষ্ট্ৰেলিয়াৰ কিংবদন্তি ছবি নিৰ্দেশক ফিলিপ ন'য়ছক সন্মানীয় সত্যজিৎ ৰায় জীৱনজোৰা সাধনা বঁটা প্ৰদান কৰা হ'ব। চলচ্চিত্ৰ মহোৎসৱৰ মূল আকৰ্ষণ আন্তৰ্জাতিক ছবিৰ প্ৰতিযোগিতা শাখাত বিভিন্ন দেশৰ ১৫খন ছবিক অন্তৰ্ভুক্ত কৰা হৈছে। সৰ্বশ্ৰেষ্ঠ বিবেচিত হোৱা ছবিখনক গল্ডেন পিকক আৰু নগদ ৪০ লাখ টকাৰে পুৰস্কৃত কৰা হ'ব। ইণ্ডিয়ান পেনৰামা শাখাত অন্তৰ্ভুক্ত ছবিৰ ভিতৰত হিন্দী ছবি স্বতন্ত্ৰ বীৰ চাভাৰকাৰ, লাডাখী ছবি ঘৰ জেচা কুছ, আৰ্টিকুল থ্ৰি ছেভেনণ্টি, টুৱেল্‌ভ ফেইল আছে। আনহাতে, আই চি এছ পি ইউনেস্কো শাখাত অসমীয়া ছবি জুইফুল, বাংলা ছবি আমাৰ বছ আৰু হিন্দী ছবি শ্ৰীকান্ত অন্তৰ্ভুক্ত হৈছে। আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে ৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱত প্ৰতিদিনৰ বা-বাতৰি বিস্তৃতভাৱে প্ৰচাৰ কৰাৰ ব্যৱস্থা লৈছে। মহোৎসৱৰ প্ৰতিদিনৰ

অনুষ্ঠান সম্পৰ্কত বিশিষ্ট চলচ্চিত্ৰ সমালোচক নয়ন প্ৰসাদে গোৱাৰ পৰা পঠিওৱা পোনপটীয়া প্ৰতিবেদন পিছদিনা পুৱা ৯বজাৰ আঞ্চলিক বাতৰিত প্ৰচাৰ কৰা হ'ব।

০০০০০০০

মহাৰাষ্ট্ৰৰ একক পৰ্যায়ৰ বিধানসভা নিৰ্বাচন আৰু ঝাৰখণ্ড বিধানসভাৰ নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ আৰম্ভ হৈছে। ইয়াৰ লগতে মহাৰাষ্ট্ৰৰ নাণ্ডেড় লোকসভা সমষ্টি, পাঞ্জাব, উত্তৰ প্ৰদেশ, কেৰালা আৰু উত্তৰাখণ্ডৰ ১৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগ্ৰহণো আৰম্ভ হৈছে। বিয়লি ৫ বজাত ভোটগ্ৰহণৰ সামৰণি পৰিব। অৱশ্যে সুৰক্ষাজনিত কাৰণত ঝাৰখণ্ডৰ নক্সাল অধ্যুষিত ৩১টা সমষ্টিত বিয়লি ৪ বজালৈকেহে ভোটগ্ৰহণ কৰা হ'ব।

নিৰ্বাচন মুক্ত আৰু নিকাভাৱে সম্পূৰ্ণ কৰাৰ উদ্দেশ্যে কটকটীয়া সুৰক্ষা ব্যৱস্থা কৰা হৈছে। এই পৰ্যায়ৰ বাবে স্থাপন কৰা ১৪ হাজাৰ ২১৮টা ভোটগ্ৰহণ কেন্দ্ৰৰ আটাইকেইটাতে কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনীৰ লোক নিয়োগ কৰা হৈছে। আন্তঃৰাজ্যিক সীমান্তসমূহ বন্ধ কৰি দিয়া হৈছে আৰু অনুপ্ৰৱেশ তথা অসামাজিক শক্তিসমূহক নিয়ন্ত্ৰণ কৰাৰ বাবে বিহাৰ আৰু পশ্চিম বংগ সীমান্তত বিশেষ যুটীয়া অভিযান আৰম্ভ কৰা হৈছে।

০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ হৃদয় বক্ষ আৰু স্নায়ু বিজ্ঞান কেন্দ্ৰৰ অত্যাধুনিক এম আৰ আই সেৱা আনুষ্ঠানিকভাৱে মুকলি কৰে। ৩০ কোটি টকা ব্যয়সাপেক্ষে অত্যাধুনিক এম আৰ আই যন্ত্ৰটো স্থাপন কৰা হৈছে। এই উপলক্ষে আয়োজিত এটা অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয়, যে এতিয়াৰেপৰা এম আৰ আই যন্ত্ৰটো যথেষ্ট উন্নত মানৰ। এতিয়াৰেপৰা নিউৰ'ল'জিকেল এম আৰ আই যথেষ্ট সুক্ষ্মভাৱে কৰিব পৰা যাব। হৃদয় বক্ষ আৰু স্নায়ু বিজ্ঞান কেন্দ্ৰটোৱে উত্তৰ-পূবৰ ৰোগীসকলক যথেষ্ট উন্নত মানৰ চিকিৎসা সেৱা প্ৰদান কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ২০২৫ চনৰ আৰম্ভণিতে জি এম চি এইচৰ মাতৃ আৰু শিশু হাস্পতালখনো উদ্বোধন কৰাৰ পৰিকল্পনা কৰা হৈছে। আনহাতে, প্ৰাগজ্যোতিষ চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণকাৰ্য দ্ৰুতগতিৰে আগবাঢ়িছে বুলিও ডঃ শৰ্মাই উল্লেখ কৰে। তেওঁ কয়, যে ২০২৫ বৰ্ষৰ প্ৰথম ভাগতে প্ৰাগজ্যোতিষ চিকিৎসা মহাবিদ্যালয়ৰ সেৱা আৰম্ভ কৰাৰ পৰিকল্পনা কৰা হৈছে। এই চিকিৎসা মহাবিদ্যালয়খনৰ সেৱা আৰম্ভ হ'লে ৰোগীসকলে পূৰ্বৰ তুলনাত অধিক সা-সুবিধা লাভ কৰিবলৈ সমৰ্থ হ'ব।

০০০০০০০

চৰকাৰে সংসদৰ শীতকালীন অধিৱেশনৰ পূৰ্বে ২৪ নৱেম্বৰত এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। বৈঠকত চৰকাৰে শীতকালীন অধিৱেশনৰ সময়ছোৱাত লোকসভা আৰু ৰাজ্যসভাৰ কাম-কাজ সুচাৰুৰূপে চলাই নিয়াত সকলো ৰাজনৈতিক দলৰ সহায়-সহযোগিতা কামনা কৰিব। সংসদৰ শীতকালীন অধিৱেশন ২৫ নৱেম্বৰৰ পৰা ২০ ডিচেম্বৰলৈ অনুষ্ঠিত হ'ব।

০০০০০০০

চৰকাৰে সংসদৰ শীতকালীন অধিৱেশনৰ পূৰ্বে ২৪ নৱেম্বৰত এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। বৈঠকত চৰকাৰে শীতকালীন অধিৱেশনৰ সময়ছোৱাত লোকসভা আৰু ৰাজ্যসভাৰ কাম-কাজ সুচাৰুৰূপে চলাই নিয়াত সকলো ৰাজনৈতিক দলৰ সহায়-সহযোগিতা কামনা কৰিব। সংসদৰ শীতকালীন অধিৱেশন ২৫ নৱেম্বৰৰ পৰা ২০ ডিচেম্বৰলৈ অনুষ্ঠিত হ'ব।

০০০০০০০

বনাঞ্চলৰ পৰা জনাঞ্চললৈ ওলাই অহা হাতীক কোনো ক্ষতি নকৰাকৈ পুনৰ বনাঞ্চললৈ খেদি পঠিওৱাৰ বাবে শিৱসাগৰ জিলাৰ আমিনুদ্দিন আহমেদ নামৰ লোক এজনে এটা যন্ত্ৰ নিৰ্মাণ কৰিছে। ম'বাইল এলিফেণ্ট পুশ্বেক মেচিন নামৰ এই যন্ত্ৰটো ২০১৭ চনত  নিৰ্মাণ কৰা হৈছিল যদিও ভালেমান প্ৰযুক্তি ব্যৱহাৰৰ ফলত এতিয়া এই যন্ত্ৰটো অধিক কাৰ্যক্ষম হৈ উঠিছে। ইয়াৰ ফলত হাতীৰ উপৰি বান্দৰৰ উপদ্ৰৱ কমাবলৈও এই যন্ত্ৰটো ব্যৱহাৰ কৰিব পৰা যায়। এই যন্ত্ৰটোত আল্ট্ৰাচাউণ্ড, লেজাৰ, ইনফ্ৰা ৰেড আদি সংযোগ কৰা হৈছে। এই সন্দৰ্ভত অভিযন্তাজনে কয় -

-বাইট-

একেদৰে, বাক্সা আৰু তামুলপুৰ জিলাৰ সীমান্তৱৰ্তী জাৰতালুক অঞ্চলত বিচৰণ কৰি ফুৰা এটা হাতীৰ জাকৰ দলপতি মখনাটোৰ গাত বন বিভাগে ৰেডিঅ' কলাৰ স্থাপন কৰিছে। বাক্সাৰ বন সংমণ্ডল বিষয়া কুশল কুমাৰ শৰ্মা আৰু মানস ব্যাঘ্ৰ প্ৰকল্পৰ পশু চিকিৎসা বিষয়া বিজয় চৌধুৰীয়ে অপাৰেচন ৰেডিঅ' কলাৰিং প্ৰকল্পৰ অধীনত কালি এই কাম সফলতাৰে সম্পন্ন কৰে।

০০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম ৰেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী আৰু ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে এক্স হেণ্ডেলত-এয়াৰ নিউজষজি এইছ ৱাই আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজষগুৱাহাটী  ফ'ল' কৰিব পাৰে।

০০০০০০০

অসম মন্ত্ৰীসভাৰ কৰিমগঞ্জৰ নাম শ্ৰীভূমি কৰাৰ সিদ্ধান্ত আৰু ১০ ফেব্ৰুৱাৰীৰ পূৰ্বে ৰাজ্যত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে গ্ৰহণ কৰাৰ সিদ্ধান্ত আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়কেইখন বাতৰি কাকতে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। **আমাৰ অসম** কাকতে 'মুখ্যমন্ত্ৰীৰ ঘোষণাঃ সলনি হ'ব ৰাজ্যৰ বহু ঠাইৰ নাম ঃ কি নাম দি মাতিম' শিৰোনামেৰে আৰু **দৈনিক অসম** কাকতে 'কৰিমগঞ্জৰ নাম শ্ৰীভূমি কৰিলে চৰকাৰে' শিৰোনামেৰে বাতৰিটো প্ৰকাশ কৰিছে। এই বাতৰিটো **দা ছেণ্টিনেল** কাকতেও প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। **দৈনিক অগ্ৰদূত** কাকতৰ পঞ্চায়ত নিৰ্বাচনৰ বাতৰিটোৰ শিৰোনাম '২০ ফেব্ৰুৱাৰীৰ পূৰ্বে পঞ্চায়ত নিৰ্বাচন'। **অসমীয়া প্ৰতিদিন** কাকতে 'ৰাজ্যিক কেবিনেটৰ সিদ্ধান্ত সদৰি কৰি মুখ্যমন্ত্ৰীঃ ১০ ফেব্ৰুৱাৰীৰ পূৰ্বে অনুষ্ঠিত হ'ব পঞ্চায়ত নিৰ্বাচন' শিৰোনামেৰে মন্ত্ৰীসভাৰ বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। এই বাতৰিটোৰ সমান্তৰালকৈ কাকতখনে মন্ত্ৰীসভাৰ ৰদ-বদলৰ সম্ভাৱনীয়তাৰ এটা বাতৰিক মুখ্য বাতৰিৰ স্থান দিছে। বাতৰিটোৰ শিৰোনাম -'ৰদ বদলেৰে শৰ্মা মন্ত্ৰীসভাৰ ভাৱমূৰ্তি উজ্বলোৱাৰ ব্লুপ্ৰিণ্ট বিজেপিৰ'। মণিপুৰৰ শেহতীয়া পৰিস্থিতিক লৈও আজি প্ৰকাশিত কেইবাখনো কাকতে গুৰুত্ব সহকাৰে বাতৰি প্ৰকাশ কৰিছে। **দি আছাম ট্ৰিবিউন** কাকতে মণিপুৰৰ বাতৰিটো 'Rallies staged across Manipur: Curfew to be relaxed for 5 hours today' শিৰোনামেৰে প্ৰথম পৃষ্ঠাত ফটোসহ গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। **দৈনিক অসম** কাকতে এই বাতৰিটো মণিপুৰৰ হিংসা ৰাজ্যলৈ সম্প্ৰসাৰণ হোৱাৰ আশংকা কাছাৰ জিলা আৰক্ষীৰঃ সতৰ্কতা, অসম-মণিপুৰ সীমা ছীল' শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। **দৈনিক জনমভূমি** কাকতে চৰাইদেউ

মৈদামথলীত বিশ্ব ঐতিহ্য সপ্তাহ শুভাৰম্ভ হোৱাৰ বাতৰিটো এংকৰ হিচাপে প্ৰকাশ কৰিছে। **নিয়মীয়া বাৰ্তা** কাকতে ৰাজ্যৰ নিম্ন আদালতসমূহত অসমীয়া ভাষাৰ পৰিৱৰ্তে ইংৰাজী ভাষা ব্যৱহাৰৰ বিৰুদ্ধে অসম উকীল সন্থাই সংবাদমেলযোগে ক্ষোভ প্ৰকাশ কৰাৰ এটা বাতৰি মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। বাতৰিটোৰ শিৰোনাম 'ব্ৰহ্মপুত্ৰ উপত্যকাৰ নিম্ন আদালতত নচলে অসমীয়াঃ ফৌজদাৰী দেৱানী আদালতত এলাগী ৰাজ্য ভাষা আইন। **অসমীয়া খবৰ** কাকতে মন্ত্ৰীসভাৰ আন এটা সিদ্ধান্তক 'দেশ-বিদেশত ৰোড শ্ব'ৰে অসমলৈ বিনিয়োগকাৰীক আকৰ্ষণৰ প্ৰয়াস' শিৰোনামেৰে মুখ্য বাতৰিৰ স্থান দিছে।

০০০০০০০

বীৰ ৰাঘৱ মৰাণৰ ২৮৯ সংখ্যক জয়ন্তী উপলক্ষে ৰাজ্য চৰকাৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ পৃষ্ঠপোষকতাত তিনিচুকীয়া জিলাৰ কাকজানত দুদিনীয়া কাৰ্যসূচীৰে ৰাঘৱ মৰাণ দিৱস উদযাপন কৰা হৈছে। দ্বিতীয় দিনৰ কাৰ্যসূচী উপলক্ষে আজি পুৱাৰেপৰা অঞ্চলটোত উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। জিলাখনৰ লগতে চুবুৰীয়া জিলা আৰু প্ৰতিবেশী ৰাজ্য অৰুণাচল প্ৰদেশৰ পৰা মৰাণ জনগোষ্ঠীৰ লোকসকল আহি অঞ্চলটোত উপস্থিত হৈছে। ৰজা বদৌচা সমন্বয় ক্ষেত্ৰত মৰাণ জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতি-ঐতিহ্য আদি প্ৰতিফলিত কৰাকৈ আটকধুনীয়াকৈ সজাই ৰখা হৈছে। আজি পুৱা ডুমডুমাৰ বিধায়ক ৰূপেশ গোৱালাই বাৰেৰহণীয়া শোভাযাত্ৰা উদ্বোধন কৰিব। ইয়াৰ পাছতে লোক সংস্কৃতিৰ প্ৰদৰ্শনী উদ্বোধন কৰিব ড° পৱিত্ৰ কুমাৰ পেগুৱে। আজি দ্বিতীয় মুকলি সভাত অসম মৰাণ সভাৰ সভাপতি ৰাজীৱ বৰাই সভাপতিত্ব কৰিব। বিয়লি অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে ৰাজ্যৰ কেইবাগৰাকী মন্ত্ৰী-বিধায়ক আৰু অন্যান্য বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ কথা।

০০০০০০০

মাজুলীৰ জেংৰাই বালিচাপৰিত অহা পৰহিলৈৰ পৰা ২৪ নৱেম্বৰলৈ মাজুলী সংগীত মহোৎসৱৰ পঞ্চম সংস্কৰণ অনুষ্ঠিত হ'ব। মহোৎসৱত অসম ভিত্তিত গুমৰাগ নৃত্যৰ প্ৰতিযোগিতাৰ লগতে বিভিন্ন থলুৱা গীত-নৃত্য আৰু খাদ্য সম্ভাৰ প্ৰদৰ্শন কৰা হ'ব। এই মহোৎসৱত দেশৰ কেইবাটাও প্ৰখ্যাত সাংগীতিক দলে অংশগ্ৰহণ কৰিব।

০০০০০০০০

ভাৰত আজি বিহাৰৰ ৰাজগীৰত অনুষ্ঠিত মহিলাৰ এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ ফাইনেলত চীনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতে কালি ছেমি ফাইনেলত জাপানক ২-০ গ'লত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। ভাৰতৰ হৈ নৱনীত কৌৰে খেলখনৰ ৪৮ মিনিটত পেণাল্টি শ্বটেৰে গল কৰে। লালাৰেমছিয়ামীয়ে ৫৬ মিনিটত দ্বিতীয়টো গ'ল দিয়ে।

ইপিনে চীনে কালি অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত মালয়েছিয়াক ৩-১ গ'লত পৰাভূত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল। প্ৰতিযোগিতাত ভাৰত এতিয়ালৈকে এখনো খেলত পৰাজিত হোৱা নাই।

০০০০০০০০

**সমাপ্ত**